সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৫০ সংখ্যা, ৩ পুহ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 50 * Date Of Publication - 19 December 2021 Rs.5.00/-

## এতিয়াৰে পৰা দলৰ যিকোনো সিদ্ধান্ত কোনো ব্যক্তিৰ বাসগৃহত নহয়, বৰঞ্চ দলৰ কাৰ্যালয়ত থিৰাং হ'বঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপিৰ দৰং জিলা সমিতিৰ নৱনিৰ্মিত তিনিমহলীয়া কাৰ্যালয় ভৱনটো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আনুষ্ঠানিকভাবে উদ্বোধন কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে যে- 'এটা ৰাজনৈতিক দলে ৰাইজৰ মাজত খোপনি পুতিবলৈ হ'লে কাৰ্যকৰ্তা, কাৰ্যালয় আৰু কোষ হৈছে তিনিটা সবাতোকৈ শক্তিশালী অস্ত্ৰ। ড° শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু দীনদয়াল উপাধ্যায়ৰ সময়ৰে পৰা বিজেপিয়ে কাৰ্যকৰ্তা গঢ়াৰ যজ্ঞত নিৰন্তৰ্ভাৱে আত্মনিয়োগ কৰি আহিছে। ৪৫ লাখ কাৰ্যকৰ্তাৰে বিজেপি সমৃদ্ধ হৈ উঠিছে অসমত। মধ্যপ্ৰদেশ আৰু গুজৰাটৰ দৰে সবল সাংগঠনিক ভেটি থকা ৰাজ্যৰ সৈতেও ফেৰ মাৰিবলৈ অসম সক্ষম হৈছে আৰু বুথ পৰ্যায়ৰ পৰা আৰম্ভ কৰি বিভিন্ন মৰ্চালৈ শক্তিশালীভাৱে দলটোক গঢ়ি তোলা হৈছে।' প্ৰায় ৭ হাজাৰ বৰ্গফুটৰ ভৱনটোৰ উদ্বোধনী অনুষ্ঠানত মহানুভৱতা প্ৰদৰ্শনেৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিজেপিৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাত বলিষ্ঠ ভূমিকা লোৱা ১৭ জন জ্যেষ্ঠ দলীয় নেতা-কাৰ্যকৰ্তাৰ চৰণ পখালি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা-কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে আশিস লয়। অনুষ্ঠানত ভাষণ প্ৰসংগত যিকোনো এটা সংগঠনৰ বাবে কাৰ্যালয় এক মন্দিৰ বুলি

( পাঁচপৃষ্ঠাত চাওক)

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত জনতা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকৰ সিদ্ধান্ত সদৰী কৰি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই জানিবলৈ দিয়ে যে বৈঠকে প্ৰাথমিক আৰু মাধ্যমিক খণ্ডৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু অন্যান্য চৰকাৰী প্ৰতিষ্ঠান পৰিচালিত বিদ্যালয়ত অতিথি শিক্ষক নিযুক্তিৰ সিদ্ধান্ত গ্ৰহণ কৰে। অতিথি শিক্ষকৰ সেৱাৰ নিৰ্ধাৰিত সময়সীমা এটা বৰ্ষ হ'ব। সেই অনুসৰি এতিয়াৰে পৰা বিদ্যালয়সমূহত অস্থায়ীভাৱে খালী হোৱা পদৰ বিপৰীতে অৱসৰপ্ৰাপ্ত যোগ্য ব্যক্তিক বিদ্যালয় কৰ্তৃপক্ষই অস্থায়ীভাৱে নিযুক্তি দিব পাৰিব। কোনো শিক্ষকে এমাহতকৈ অধিক দিন ছুটী ল'লে তেনে শিক্ষকৰ পদত এই অস্থায়ী অথবা অতিথি শিক্ষক নিয়োগ কৰিব পাৰিব। এনে শিক্ষকক ১০ হাজাৰ টকাকৈ পাৰিতোষিক আগবঢ়োৱা হ'ব। আনহাতে, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থা বা স্বেচ্ছাসেৱী সংগঠনেও

( পাঁচপৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

## আইৰ মুখৰ ভাষা

আমাৰ আইৰ মুখৰ ভাষাটোৰ অৱস্থা আজি সংকটত। বিশ্বায়ন বা গোলকীয়কৰণে আমাৰ ভাষাটোলৈ কিবা ভাবুকি আনিছে নেকি বাৰু? এক অৰ্থত গোলকীকৰণে আমাৰ অসমীয়া সংস্কৃতিক আঘাত হানিছে। পৰিতাপৰ কথা যে সংবিধান স্বীকৃত ভাষাসমূহৰ অসমীয়া ভাষা-ভাষীৰ সংখ্যা হিন্দী বা বাংলা ভাষা-ভাষীতকৈ কম।এইখিনিতে ভূপেন দাৰ এটা গানৰ কলি মনলৈ আহিছে আজি অসমীয়াই নিজক নিচিনিলে অসমতে ভগনীয়া হ'ব। সচাঁকৈয়ে অসমত অসমীয়া ৰাজ্যিক ভাষা হোৱাৰ সত্বেও অসমতে বাস কৰা অন্যান্য জনগোষ্ঠী বড়ো, ৰাভা, ডিমাছা, কোচ, তিৱা, মিচিং, মৰাণ, সোণোৱাল কছাৰী তেওঁলোকৰো কিন্তু নিজস্ব ভাষা সংস্কৃতি আছে।ভাষা লিখিবৰ বাবে প্ৰয়োজন হোৱা লিপি আৰু এই লিপি সমগ্ৰ বিশ্বত স্বীকৃত হ'বলৈ প্ৰয়োজন হোৱা Unicode থকাৰ সত্ত্বেও অসমীয়া ভাষাৰ লিখাৰ বাবে বাংলা লিপি ব্যৱহাৰে আমাৰ ভাষাটোৰ প্ৰতি এক মাহীআইৰ দৃষ্টি পৰিলক্ষিত হোৱা দেখা গৈছে। এটা চহকী ভাষাৰ প্ৰতি এনে মনোভাৱে ভাষাটোৰ অস্তিত্ব বিপন্ন হোৱাৰ দিশে ইংগিত বহন কৰিছে। অতীততে অসমৰ শাসনভাৰ ইংৰাজে লোৱাৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰশাসনীয় কামৰ বাবে বংগৰ পৰা অনা আমোলাসকলে তেতিয়া অসমীয়া ভাষা বাংলা ভাষাৰ উপভাষা বুলি দোহাৰী দি অসমত বাংলা ভাষাৰ প্ৰচলন কৰিছিলেই, কিন্তু ঠিক তেনে সময়তে তেখেতৰ স্বাৰ্থ সিদ্ধিৰ বাবেই হওঁক বা অন্য কিবাৰ বাবেই হওঁক আজি তেখেতৰ বাবেই আমাৰ ভাষাটোৱে স্বকীয় মৰ্যদা লাভ কৰিলে এইক্ষেত্ৰত শ্ৰদ্ধাৰ মাইলছ ব্ৰনছন চাহাবৰ ওচৰত আমি আজীৱন কৃত: হৈ ৰ'ব লাগিব। আমাৰ ভাষাটোৰ খাতিৰত ১৯৬০ চনৰ সেই ভাষা আন্দোলন, ১৯৭২ চনৰ মাধ্যম আন্দোলন গঢ়ি উঠিছিল আৰু ১৯৬০ চনৰ 'অসম চৰকাৰী ভাষা' আইন অনুসৰি অসমৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়-প্ৰতিস্থান আদিৰ কাম-কাজ বা নামফলক আদিত এশ শতাংশ অসমীয়াত হ'ব বুলি নীতি- নিৰ্দেশনা আছিল। কিন্তু আজি ৬০ বছৰৰ পাছতো এই নিৰ্দেশনায়ে পুৰ্ণাংগৰূপ নাপালে। এই ক্ষেত্ৰত কোনো এখন চৰকাৰেও পদক্ষেপ নোলোৱাতো সঁচাকৈ বৰ দুখ লগা কথা। পৰিতাপৰ কথা যে সৌসিদিনা এইখন অসমতে বৰাকত অসমীয়া ভাষাটোক অপমান কৰা কথাটোৱে বুকুত শেলে বিন্ধাদি বিন্ধিলে। এতিয়া আমাৰ হাতত মাথো এটাই উপায় অসমৰ সকলো বিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ত অসমীয়া ভাষাটোৰ পাঠদান বাধ্যতামূলক কৰিব লাগিব। বিশ্বৰ সকলো দেশৰ সাহিত্য সমূহ অসমীয়া ভাষালৈ অনুবাদ আৰু অসমীয়া সাহিত্য সমৃদ্ধ ৰচনাসমূহ বিভিন্ন ভাষালৈ অনুবাদ কৰি আমাৰ শক্তিশালী গণমাধ্যম সমূহৰ জড়িয়তে সহজলভ্য কৰি তুলিব লাগিব। ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰা সাহিত্যিক সকলৰ সাহিত্যৰাজিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যাবলৈ ইংৰাজী, ফ্ৰান্স, ৰুছ আদি বিভিন্ন ভাষালৈ অনুবাদ কৰিব লাগিব। অফিচ-কাছাৰীৰ আবেদনসমূহ অসমীয়াত লিখাটো বাধ্যতামূলক কৰাৰ ব্যৱস্থা কৰিব লাগিব, দোকান আদিৰ ফলকসমূহ অসমীয়াত লিখাটো বাধ্যতামূলক বৰ্তমানে কৰাৰ দৰে ভৱিষ্যতলৈও যাতে এই ব্যৱস্থা অব্যাহত থাকে তাৰ ব্যৱস্থা কৰিব লাগিব, সংগীত, টেলিভিছন, ৰেডিঅ', বোলছবি আদিৰ জড়িয়তে জনশিক্ষা প্ৰদান কৰি গণসংযোগৰ মাধ্যম হিচাপে গঢ়ি তোলাৰ দৃঢ় মানসিকতা গঢ়ি তুলিব লাগিব। আমি সকলোৱে আমাৰ ভৱিষ্যত প্ৰজন্মক মই জনী, তাই জনীৰ দৰে কথাবোৰৰ পৰা আতঁৰাই সৰুৰে পৰাই আমাৰ ভাষাটো শুদ্ধকৈ ক'বলৈ শিকাব লাগিব।শেষত আমাৰ ভাষাটো জীয়াই ৰখাৰ খাতিৰত চৰকাৰে উচিত পদক্ষেপ লওঁক। ব্ৰনছন ছাহাবৰ মনৰ আশা পূৰ্ণ হওঁক। তেখেতে ভবাৰ দৰে অসমীয়া ভাষাটো ব্ৰহ্মপুত্ৰৰ দৰে চিৰপ্ৰবাহমান হওঁক। তাৰেই কামনাৰে....'জয় আই অসম'।

# মেজিক-ট্ৰেকাৰে বেআইনীভাৱে ভাড়া সংগ্ৰহৰ বিৰুদ্ধে এ কে দেৱ পথত পথ অৱৰোধ



ৰঙিলী বাৰ্ত্তাসেৱা- লখৰাৰ পৰা ভৰলুমুখলৈ চলাচল কৰা আৰু গুৱাহাটীৰ অন্যান্য অঞ্চলৰ মেজিক আৰু ট্ৰেকাৰ সমূহে বেআইনীভাৱে ভাড়া সংগ্ৰহ কৰাৰ বিৰুদ্ধে প্ৰাগজ্যোতিষ মহাবিদ্যালয়, কামাখ্যাৰাম বৰুৱা ছোৱালী মহাবিদ্যালয় আৰু আৰ জি বৰুৱা মহাবিদ্যালয়ৰ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে সন্মিলিতভাৱে এ কে দেৱ পথ, ফটাশিলৰ আৰ জি বৰুৱা মহাবিদ্যালয়ৰ গেটৰ সমীপত পথ অৱৰোধ কাৰ্যসূচী পালন কৰে। অতি শীঘ্ৰে বেআইনীভাৱে ট্ৰেকাৰ আৰু মেজিকৰ ভাড়া লোৱা বন্ধ কৰক, বৰ্তমানে নিৰ্ধাৰিত ভাড়াতকৈ বেছি লোৱা নচলিব, অন্যায়ভাৱে কেনেকৈ ভাড়া সংগ্ৰহ কৰি আছে প্ৰশাসন উত্তৰ দিয়া, আমাৰ দাবী মানি লওঁক আদি শ্লোগানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। শেষত প্ৰতিবাদ স্থলীত ফটাশিল আৰক্ষী চকীৰ জ্যেষ্ঠ বিষয়া উপস্থিত হয় আৰু বৃহত্তৰ দক্ষিণ পশ্চিম গুৱাহাটীৰ ছাত্ৰ সমাজৰ পক্ষৰ পৰা তেওঁৰ যোগেদি কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। স্মাৰক পত্ৰত উল্লেখ কৰে যে কৰ'না সৃষ্ট পৰিস্থিতিত সাধাৰণ ৰাইজৰ অৰ্থনৈতিক অৱস্থা এক ভয়াবহ সংকটৰ সন্মুখীন হৈছে। এনে সময়তেই গুৱাহাটী মহানগৰত চলি থকা চিটি বাছ, ট্ৰেকাৰ আৰু মেজিকৰ অন্যায় আৰু অযৌক্তিক ভাড়া বৃদ্ধিয়ে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পৰিয়ালক কোঙা কৰি পেলাইছে, যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল তীব্ৰ ক্ষোভ বিক্ষোভত ফাটি পৰিছে। বিভাগৰ পৰা কোনো চিটি বাছ, ট্ৰেকাৰ আৰু মেজিকে বেছি ভাড়া সংগ্ৰহ কৰিব নোৱাৰিব বুলি জাননী দিলেও সকলো নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই ইচ্ছা মতে টকা সংগ্ৰহ কৰি আছে। গড়চুকৰ পৰা ভৰলুমুখ লৈ চলাচল কৰা যাত্ৰীবাহী যানবাহন সমূহে বেআইনীভাৱে ভাড়া সংগ্ৰহ কৰি আছে। লগতে বিভাগৰ পৰা যি লিখিত অভিযোগ দাখিলৰ মোবাইল নম্বৰ দিছে সিয়ো বিকল। আমি দৃঢ়তাৰে বিশ্বাস কৰো এনে গাফিলতিৰ বাবে প্ৰশাসন বিভাগ সম্পূৰ্ণ দায়ী। লগতে এই অঞ্চলত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে চৰকাৰী চিটি বাছ দিয়াৰ বাবেও দাবী জনোৱা হয়। শেষত প্ৰশাসনৰ পৰা ব্যৱস্থা লোৱা হ'ব বুলি কথা দিয়ে। লগতে এই দাবী যদি মানি নলয় অহা দিনত কামৰূপ মহানগৰ জিলাৰ ডি টি অ'ৰ কাৰ্যালয় ঘেৰাও কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি উপস্থিত ছাত্ৰ সমাজ প্ৰতিজ্ঞাবদ্ধ হয়।

# কটন বিশ্ববিদ্যালয়ত 'আকাশ চুবলৈ মন' অনুষ্ঠান

ৰঙিলী বাৰ্ত্তাসেৱা- 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে! অকণো সহানুভূতিৰে ভাবিব কোনেনো কোৱা'- বিশ্ববৰেণ্য ড° ভূপেন হাজৰিকাৰ এই কথাকেই সৰোগত কৰি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ প্ৰত্যক্ষ প্ৰচেষ্টাত এক আশাৰ খবৰৰ সাক্ষী হ'ল কটন বিশ্ববিদ্যালয়। কিয়নো সৰুতেই দুৰ্ঘটনাত ভৰি এখন হেৰুৱাই এক কষ্টসাধ্য জীৱনৰ পথত খোজ দিয়া সঞ্জয় বড়ো কটন বিশ্ববিদ্যালয়ৰ মেধাৱী ছাত্ৰগৰাকীৰ বাবে এখন কৃত্ৰিম ভৰি সংৰোপনৰ ব্যৱস্থা সফলভাৱে সম্পন্ন হয়। এই উপলক্ষে কটন বিশ্ববিদ্যালয়ৰ আছু গোটৰ উদ্যোগত আয়োজিত হয় 'আকাশ চুবলৈ মন' শীৰ্ষক এক মননশীল অনুষ্ঠান। কটন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° দিগন্ত কুমাৰ দাসে উদ্বোধনী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোৰ আৰম্ভণিতে এক তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। তথ্যচিত্ৰখনিৰ জৰিয়তে মেধাৱী ছাত্ৰ সঞ্জয় বড়োৱে জীৱনৰ কঠিনতা স্বত্বেও আগবাঢ়ি যোৱাৰ মানসিক দৃঢ়তাক প্ৰদৰ্শন কৰাৰ লগতে ছাত্ৰ গৰাকীৰ বাবে এখন কৃত্ৰিম ভৰি সংৰোপনৰ সমগ্ৰ পৰিক্ৰমা দাঙি ধৰা হয়। ইয়াৰ পাছতেই অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলক আদৰণি জনোৱা হয়। অনুষ্ঠানটিৰ মধ্যমণি মেধাৱী কটনিয়ান সঞ্জয় বড়োক এক উষ্ম সম্বৰ্ধনা জ্ঞপন কৰে উদ্যোক্তাসকলে। অনুষ্ঠানটিত উপস্থিত থাকি সঞ্জয় বড়োৰ ভাতৃ অজয় বড়োয়ে আছুৰ মুখ্য উপদেষ্টা ড° ভট্টাচাৰ্য আৰু কটন বিশ্ববিদ্যালয় আছু গোটৰ প্ৰচেষ্টাৰ শলাগ লয়। অনুষ্ঠানত নিজৰ মত প্ৰকাশ কৰি সঞ্জয় বড়োৱে নিজৰ জীৱনৰ জটিলতা আৰু কটন বিশ্ববিদ্যালয়ত লাভ কৰা বন্ধুত্ব আৰু সহযোগিতাৰ অনন্য অভিজ্ঞতা ব্যক্ত কৰে। ভাষণ প্ৰসংগত ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় - 'সঞ্জয় বড়োৰ বাবে কটনিয়ানসকলে যি পদক্ষেপ গ্ৰহণ কৰিলে সেইয়া সঁচাকৈ প্ৰশংসনীয়। কটন বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰাই এই কথা আমি সমগ্ৰ অসমক ক'ব খোজো যে কোনো ছাত্ৰ-ছাত্ৰীয়ে অসুবিধাত পৰি বিষাদগ্ৰস্ত হ'ব নালাগে। অনুষ্ঠানত 'আমাৰ অসম'ৰ ডেপুটি এডিটৰ গৌতম শৰ্মাই ভাষণত কয় 'মানুহে মাটিত ভৰি থৈ আকাশ চোৱাৰ সপোন পুহি ৰাখিব লাগে। কটনৰ পৰা তেনে এক আন্দোলনৰ আৰম্ভণি হৈছে। এই পদক্ষেপৰ বাবে কটনিয়ানসকল, সদৌ অসম ছাত্ৰ সন্থা ধন্যবাদৰ পাত্ৰ।'কঠিনতাৰ মাজেৰেই সঞ্জয়ে বিজনী কলেজৰ পৰা দৰ্শন বিভাগত স্নাতক আৰু কটন বিশ্ববিদ্যালয়ৰ পৰা

( পাঁচ পৃষ্ঠাত চাওক)

# পানবজাৰত অসম প্ৰাদেশিক বেংক কৰ্মচাৰী সন্থাৰ বিক্ষোভ




ৰঙিলী বাৰ্ত্তাসেৱা- ইউনাইটেড ফৰাম অৱ বেংক ইউনিয়নচৰ ফালৰ পৰা আজি সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো বেঙ্ক ব্যক্তিগতকৰণৰ বিৰুদ্ধে ১৬ আৰু ১৭ ডিচেম্বৰত দুদিনীয়া ধৰ্মঘটৰ প্ৰথমদিনা বেঙ্ক ধৰ্মঘট সফলভাৱে পালন কৰা হয়। এই ধৰ্মঘটৰ লগত সামঞ্জস্য ৰাখি গুৱাহাটীত পি এন বি পানবজাৰৰ সন্মুখত অসম প্ৰাদেশিক বেঙ্ক কৰ্মচাৰী সন্থাৰ ফালৰ পৰা বিক্ষোভ কাৰ্য্যসূচী পালন কৰা হয়। এই বিক্ষোভ কাৰ্য্যসূচীত অ:প্ৰাঃবেঃকঃসঃৰ সাধাৰণ সম্পাদক দিলীপ কুমাৰ শৰ্মাই বেঙ্ক ব্যক্তিগতকৰণৰ বিৰুদ্ধে বক্তব্য ৰাখি ইয়াৰ ফলত দেশৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত হ'ব বুলি উল্লেখ কৰে। এই কাৰ্য্যসূচীত অল ইণ্ডিয়া ট্ৰেড ইউনিয়ন কংগ্ৰেছ, অসম ৰাজ্যৰ সাধাৰণ সম্পাদক ৰমেন দাস উপস্থিত থাকি সমমৰ্মিতা আৰু সমৰ্থন প্ৰকাশ কৰি বেঙ্ক কৰ্মচাৰীৰ সংগ্ৰামৰ লগত সদায় জড়িত হৈ থকাৰ আশ্বাস প্ৰদান কৰে।

# ভূটানৰ প্ৰধানমন্ত্ৰী মোদীক ভূটানৰ সৰ্বোচ্চ অসামৰিক বঁটা প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ আন এক আন্তৰ্জাতিক সন্মান। ভূটানে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক ইয়াৰ সৰ্বোচ্চ অসামৰিক বঁটা 'অৰ্ডাৰ অৱ দ্য ড্ৰাক গ্যালপ' প্ৰদান কৰিছে। ভূটানৰ ৰাষ্ট্ৰীয় দিৱস উপলক্ষে আজি এই সন্মান 'অৰ্ডাৰ অৱ দ্য ড্ৰাক গ্যালপ' প্ৰধানমন্ত্ৰী মোদীলৈ আগবঢ়োৱা বুলি ভূটানৰ প্ৰধানমন্ত্ৰী এল শ্বেৰিঙে ছ'চিয়েল মিডিয়াত ঘোষণা কৰিছে। ভূটানৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে টুইটযোগে প্ৰধানমন্ত্ৰী মোদীক এই সন্মান আগবঢ়াবলৈ পাই অত্যন্ত সুখী বুলি ব্যক্ত কৰিছে। বিগত বছৰ বছৰ ধৰি বিশেষকৈ ক'ভিড-১৯ সময়ছোৱাতো ভূটানলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়োৱা সমৰ্থন-সহযোগিতাৰ বাবে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অৰ্ডাৰ অৱ দ্য ড্ৰাক গ্যালপ' তথা 'গাডাগ টেল গী খৰলো' আগবঢ়োৱা হৈছেবুলি টুইটাৰত শ্বেৰিঙে প্ৰকাশ কৰিছে। তদুপৰি ভূটানৰ প্ৰধানমন্ত্ৰী কাৰ্যালয়ে বিবৃতিত প্ৰকাশ কৰিছে যে এই সন্মানৰ বাবে প্ৰধানমন্ত্ৰী মোদী যোগ্য। ভূটানৰ জনগণৰ হৈ অভিনন্দন। সকলো সময়তে তেওঁক মহান, এক আধ্যাত্মিক ব্যক্তিৰ ৰূপত দেখিছোঁ। ব্যক্তিগতভাৱে তেওঁক সন্মান জনাবৰ বাবে উৎসুক। ভূটান চৰকাৰে দেশখনৰ সৰ্বোচ্চ সন্মান আগবঢ়োৱাৰ পাছতে টুইটযোগে প্ৰধানমন্ত্ৰী মোদীয়ে ভূটানৰ ৰজা আৰু ভূটানৰ প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছে। ৰাষ্ট্ৰীয় দিৱস উপলক্ষে তেওঁলৈ এই সন্মান আগবঢ়োৱাৰ বাবে ভূটানৰ সকলো নাগৰিকক তেওঁ শ্ৰদ্ধা, চেনেহ যাচিছে বুলি কয় প্ৰধানমন্ত্ৰী মোদীয়ে। উল্লেখ্য যে ভূটানৰ সৰ্বোচ্চ অসামৰিক সন্মান লাভ কৰা প্ৰথমগৰাকী বিদেশী প্ৰধানমন্ত্ৰী।

৩ পুহ, ১৪২৭ চন Rongili Barta, Date of Publication-- 19 December, 2021

# হায় সভ্য সমাজ মানৱৰ্তাও গচকা হয় ভৰিৰে আজিৰ মানৱতা বন্দী ম'বাইলৰ ৰেকৰ্ডিঙত

**গোপাল জালান**

যোৱা ২৯ নৱেম্বৰত যোৰহাট নগৰত এদল উন্মাদ লোকে মৰিয়াই মৰিয়াই হত্যা কৰিলে অনিমেষ ভূঞা নামৰ এজন নিৰীহ সুঠাম ছাত্ৰনেতাক। এটা সামান্য দুৰ্ঘটনাক কেন্দ্ৰ কৰি সংঘটিত হ'ল মানৱ জাতিক লজ্জানত কৰা এটি ঘটনা। তিনিজন যুৱকক অৰ্ধশতাধিক উন্মাদ লোকে মৰিয়াই মৰিয়াই থকা দৃশ্য দেখিও কোনো লোক আগবাঢ়ি নাহিল বাধা দিবলৈ। দুই-এজন আৰক্ষীয়ে চেষ্টা কৰিলে যদিও প্ৰতিহত কৰিবলৈ সক্ষম নহ'ল। যুৱক তিনিজনে পৰিচয় দিয়াৰ পাছতো উন্মাদ লোকে নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ ঘটনা ম'বাইলত ৰেকৰ্ডিং কৰা লোক ওলাল যদিও আশ্চৰ্যজনকভাৱে সহায়ৰ হাত আগবঢ়াবলৈ নাহিল। এখন সভ্য সমাজৰ বাবে ইয়াতকৈ আৰু কি নিৰ্লজ্জ ঘটনা হ'ব পাৰে। এতিয়া কাৰোবাৰ মৃত্যুতকৈ ডাঙৰ হৈছে কোনো লোকে ম'বাইলত ৰেকৰ্ডিং কৰি সেয়া সামাজিক মাধ্যমত প্ৰচাৰ কৰাটো। 'মৰেল পুলিচ'ৰ ঘটনা ৰাজ্যখনত এয়াই প্ৰথম নহয়। কিছুবছৰ পূৰ্বে কাৰ্বি আংলঙত অভি-নীল হত্যাকাণ্ডই



ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। কি কাৰণে কোনে হত্যাকাণ্ড সংঘটিত কৰিছিল সেয়াও ৰাজহুৱা নহ'ল। ইপিনে, ২০১৯ চনত যোৰহাটতে হত্যা কৰা হৈছিল ডাঃ দেবেন দত্তনামৰ মানৱ দৰদী চিকিৎসকজনক। মৰিয়নিত হত্যা কৰা হৈছে দেৱাশিষ গগৈ নামৰ এজনক। এনেবোৰ ঘটনা দেখিলে মনত এটি প্ৰশ্ন জাগি। উঠে- সভ্যতাৰ চৰম শিখৰত উপনীত হোৱা মানব সমাজত এনেধৰণৰ নৃশংস হত্যাকাণ্ড সংঘটিত হ'বলৈ পালে কেনেকৈ? এয়া পৈশাচিক আচৰণ নে এনে ঘটনাৰ আঁৰত থাকি যায় তৃতীয় শক্তিৰ হাত থাকিব পাৰে।

যোৰহাটৰ ঘটনাটো প্ৰত্যক্ষ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে এতিয়া মানুহৰ জীৱনতকৈও বেছি মূল্যৱান বুলি গণ্য কৰে ম'বাইলত কৰা ৰেকৰ্ডিং। এজন নিৰীহ যুৱকক দল এটাই নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ পাছতো একাংশ লোকে ম'বাইলত ঘটনাটো ৰেকৰ্ডিং কৰাতে ব্যস্ত থাকিল। তাত কিমানজন লোকে ভিডিঅ' ৰেকৰ্ডিং কৰিছিল সেই জ্ঞান নহয় যদিও এটা কথা ঠিক যে যিসকলে ৰেকৰ্ডিঙত ব্যস্ত আছিল তেওঁলোকৰ ভিতৰত এজনেও যদি আৰক্ষীক ফোন কৰি জনালেহেঁতেন, তেনেহ'লে হয় অনিমেষৰ জীৱন ৰক্ষা কৰাটো সম্ভৱ হ'লহেঁতেন। ঘটনাটো প্ৰত্যক্ষ কৰি মনত এনে এটি ভাব হৈছে যে আজিৰ মানৱতা ভূলুণ্ঠিত হৈছে। মানৱতা বন্দী হৈছে ম'বাইলৰ ৰেকৰ্ডিঙত। সকলোৱে সেই নিৰ্মম প্ৰহাৰৰ ঘটনা চিনেমাৰ দৰে উপভোগ কৰিছে। সেইসকলৰ ভিতৰত দহজনমানেও যদি উদও দলটোক বুজনি দিলেহেঁতেন নিশ্চয় অনিমেষৰ জীৱন ৰক্ষা পৰিলহেঁতেন। এই ঘটনাই প্ৰমাণ কৰিলে যে এতিয়া মানৱতাও পণ্য হৈছে। এতিয়া মানুহেই মানুহৰ প্ৰধান শত্ৰু হৈ পৰিছে। কোনোধৰণৰ বিচাৰ নকৰাকৈ এজন নিৰীহ যুৱকৰ ওপৰত হিংস্ৰ জন্তুৰ দৰে জঁপিয়াই পৰাৰ পাছতো কোনো এজন লোকেই বাধা দিবলৈ আগবাঢ়ি নাহিল কিয় সেয়াহে এক চিন্তনীয় বিষয়।

মানুহে মানুহৰ জীৱন লোৱাৰ অধিকাৰ নাই। কাৰণ কোনোৱে কাকো জীৱন দান কৰিব নোৱাৰে। যদি কোনোবাই দোষ কৰিছে তেনেহ'লে তেওঁক শাস্তি দিবলৈ আইন আদালত আছে। আইন কোনোৱে হাতত তুলি লোৱাৰ অধিকাৰ নাই। ঘটনাৰ প্ৰকৃত কাৰণ নজনাকৈ দোষ-গুণ বিচাৰ নকৰাকৈ প্ৰহাৰ কৰা, হত্যাকাণ্ড সংঘটিত কৰাটো কিমান যুক্তিসংগত। এতিয়া যদি ৰাস্তাত কোনো লোক বিপদত পৰে তেতিয়া সহায়ৰ হাত আগবঢ়াবলৈ যোৱাটোও বিপজ্জনক হৈ পৰিব। কাৰণ যোৰহাটৰ ঘটনাই সেই কথাকে প্ৰতিপন্ন কৰিছে। সাধাৰণতে বহুতো অসহায় লোকক সহায়ৰ হাত আগবঢ়াবলৈ যোৱা লোকসকলে কেতিয়াও ভাবি নাচায় যে তেওঁ বিপদত পৰিব। কাৰোবা সহায় কৰিবলৈ, কোনোৱে সহায়ৰ বাবে আগবাঢ়ি নাযাব গৈ প্ৰাণ হেৰুৱাব লাগিব। যদিহে এনেধৰণৰ ঘটনা সঘনাই সংঘটিত হৈ থাকে তেনেহ'লে কোনোৱে সহায়ৰ বাবে আগবাঢ়ি নাযাব।

বিগত পাঁচ বছৰৰ পৰা অসমৰ বিভিন্ন প্ৰান্তত মৰেল পুলিচৰ ঘটনা

(আঠপৃষ্ঠাত চাওক)

# শৰীৰৰ ৰোগ প্ৰতিৰোধক এণ্টিঅক্সিডেণ্ট

**ডাঃ বিজিতা চুতীয়া**

এণ্টিঅক্সিডেন্ট হৈছে এবিধ উপাদান যি আমাৰ শৰীৰত স্বাভাৱিকভাৱে উৎপন্ন হয়। ইয়াৰ উপৰি বিভিন্ন খাদ্যবস্তুত এণ্টিঅ'ডেণ্ট সন্নিৱিষ্ট হৈ থাকে। এণ্টিঅক্সিডেণ্টে আমাৰ শৰীৰটো বিনষ্টকাৰী ফ্ৰী ৰেডিকেলসমূহৰ পৰা ৰক্ষা কৰে। বিভিন্ন কাৰণত মানুহৰ শৰীৰত কিছুমান ফ্ৰী ৰেডিকেলছ অৰ্থাৎ অস্থিৰ ক্ষুদ্ৰ অণুৰ সৃষ্টি হয়, যিয়ে আমাৰ শৰীৰটো ক্ৰমাৎ ধ্বংস কৰি অৱশেষত মৃত্যুমুখলৈ ঠেলি দিয়ে। ফ্ৰী-ৰেডিকেলে আমাৰ দেহ কোষাৱৰণৰ লগতে চেলুলাৰ প্ৰ'টিন, লিপিড আৰু ডি এন এ ধ্বংস কৰে। আমাৰ দেহত যেতিয়া অত্যধিক ফ্ৰী ৰেডিকেলৰ উৎপন্ন হয় তেতিয়া অনেকবিধ ৰোগৰ সৃষ্টি হয়। সেইসমূহ হৈছে হৃদৰোগ, কেন্সাৰ, ৰিউমেটউড আৰথ্ৰাইটিছ, পাৰকিনচন ডিজিজ, আলঝেইমাৰ, স্নায়ুৰোগ ইত্যাদি। ফ্ৰী-ৰেডিকেলসমূহ ধূমপানৰ ফলত, মদ্যপানৰ জৰিয়তে, প্ৰদূষণ বা মানসিক চিন্তাৰ ফলত আমাৰ দেহত উৎপন্ন হয়। এণ্টিঅক্সিডেণ্টে ফ্ৰী ৰেডিকেলসমূহ অকামিলা কৰি শৰীৰক উপৰিউক্ত ৰোগসমূহৰ পৰা ৰক্ষা কৰে। যদিও আমাৰ শৰীৰত স্বাভাৱিকভাৱে এণ্টিঅক্সিডেণ্টৰ উৎপন্ন হয় তথাপি- ইয়াৰ পৰা সম্পূৰ্ণ উপযোগিতা পোৱা নাযায় আৰু বয়স বঢ়াৰ লগে লগে এই উপযোগিতা লাহে লাহে হ্ৰাস পায়। সেয়েহে আমি এণ্টিঅক্সিডেণ্ট যুক্ত খাদ্য আমাৰ দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰাটো দৰকাৰী।

এণ্টিঅক্সিডেন্ট থকা খাদ্যসমূহ হৈছে- ভিটামিন এ, ভিটামিন-চি, ভিটামিন-ই, কিছুমান মিনাৰেল যেনে- কপাৰ, জিংক, ছিলেনিয়াম,ফাইট'কেমিকেলযুক্ত উদ্ভিদজাত আহাৰ ইত্যাদি। কিছুমান এণ্টিঅক্সিডেণ্ট আৰু খাদ্যৰ তালিকা তলত উল্লেখ কৰা হৈছে

(১)ভিটামিন-এ : লিভাৰ, মিঠাআলু, গাজৰ, গাখীৰ, কণীৰ কুসুম ইত্যাদি।

(২)ভিটামিন-চি : কমলা, আম, পালেং, কেপচিকাম ব্ৰকলি।

(৩)ভিটামিন-ই : ভেজিটেব্‌ল অইল, এভ'কেড, বাদাম।

(৪) বিটা কেৰ'টিন : ৰঙালাউ, আম, গাজৰ পালেং, এপ্ৰিকট।

(৫) ফ্লেভনয়ডছ : গ্ৰীন টী, চাই ট্ৰাছ ফল, ৰেড বাইন, পিঁয়াজ, আপেল।

(৬) লাইক'পিন : বিলাহী, আঙুৰ, তৰমুজ।

(৭) জিংক : সাগৰীয় খাদ্য, গাখীৰ, বাদাম।

(৮) ছেলেনিয়াম : সাগৰীয় খাদ্য, অফাল, লীনমিট, শস্যজাতীয়।

(৯) কেটেচিন : ৰেড ৱাইন, চাহ ইত্যাদি।

এতিয়া আমি ফ্ৰী ৰেডিকেলৰ পৰা উদ্ভৱ হোৱা ৰোগসমূহ প্ৰতিৰোধ কৰাত বিশেষভাৱে সহায় কৰা কেইবিধমান এণ্টিঅক্সিডেণ্টযুক্ত খাদ্যৰ বিষয়ে আলোচনা কৰিম।



**(ক) ফলমূল** : ফলমূল হৈছে এণ্টিঅক্সিডেণ্টৰ ভঁৰাল। বিভিন্ন ধৰণৰ বেৰী যেনে- ৰাচ্‌শ্বেৰী, ব্লুবেৰী, ষ্ট্ৰবেৰী, ব্লেকবেৰী আদিত থকা 'প্ৰএনথচায়নিডিন' নামৰ এণ্টিঅক্সিডেণ্টে কেন্সাৰ আৰু হৃদৰোগ হোৱাত বাধা দিয়াৰ লগতে স্মৃতিশক্তি বৃদ্ধি কৰে। আনহাতে আপেলত থকা 'কোৱেৰচিটিন' আৰু 'ৰোটিনজ' নামৰ এণ্টিঅক্সিডেণ্টে আমাৰ শৰীৰৰ কোষসমূহ ধ্বংস হোৱাৰ পৰা বচায়, লগতে তেজ চলাচল বৃদ্ধি কৰে। কঁঠালত থকা 'এ' ভিটামিনে হাওঁফাওঁৰ দুৰ্বলতা আৰু কেন্সাৰ ৰোগ প্ৰতিৰোধ কৰে। 'চি' ভিটামিনে কৰ্কট ৰোগ প্ৰতিৰোধ কৰে। 'কেৰ'টিনয়ড'বিলাকে হাওঁফাওঁৰ কৰ্কট ৰোগ, চকুৰ চানি পৰা ৰোগ প্ৰতিৰোধ কৰে। ইয়াৰ উপৰি আঙুৰ, নাচপতি, মধুৰিআম, কমলা, আম, তৰমুজ আদিত যথেষ্ট পৰিমাণে এণ্টিঅক্সিডেণ্ট থাকে।

**(খ)সেউজীয়া শাক-পাচলি** : ব্ৰকলিত অত্যধিক পৰিমাণে ভিটামিন 'চি' আৰু 'ছালফাৰেফেন' নামৰ ফাইটনিউট্ৰিয়েন্ট থাকে যিয়ে বিভিন্ন ধৰণৰ কেন্সাৰ হোৱাৰ পৰা ৰক্ষা কৰে। বিলাহীত থকা এণ্টিঅক্সিডেণ্ট 'লাইক'পিনে' কেন্সাৰ প্ৰতিৰোধ কৰে। বিটত থকা 'বিটালেইনচ' নামৰ এণ্টিঅক্সিডেণ্টে অষ্টিঅ' আথ্ৰাইটিছৰ ফলত উদ্ভৱ হোৱা বিষ নিৰাময়ত সহায় কৰে। ইয়াৰ উপৰি পালেং, গাজৰ, ছালাড পাত, মিঠাআলু, ৰঙালাউ, স্কোৱাছ, বন্ধাকবিত এণ্টিঅক্সিডেণ্ট পোৱা যায়, যিয়ে বিভিন্ন ধৰণৰ ৰোগ প্ৰতিৰোধত সহায় কৰে।

**(গ) মছলা** : মছলাই যেনেকৈ আমাৰ আহাৰৰ সোৱাদ আৰু সৌন্দৰ্য বৃদ্ধি কৰে, ঠিক তেনেদৰে ইয়াত থকা এণ্টিঅক্সিডেণ্টে বিভিন্ন ৰোগৰ পৰা আমাক বচায়। নহৰুত ভিটামিন-এ, চি, ছিলেনিয়াম, জিংক ইত্যাদি থাকে যিয়ে উচ্চ ৰক্তচাপ আৰু তেজত থকা কলেষ্টেৰ'ল কমোৱাত সহায় কৰে লগতে কেন্সাৰ প্ৰতিৰোধ কৰে। ইয়াৰ উপৰি আমাৰ খাদ্যত সাধাৰণতে ব্যৱহৃত মছলাসমূহ যেনে- দালচিনি, হালধি, জিৰা, ধনিয়া, পিঁয়াজ, তুলসীপাত, নৰসিংহ পাত, সৰিয়হ, আদা, জালুক, জলকীয়া আদিত এণ্টিঅক্সিডেণ্ট পোৱা যায়।

**(ঘ) বিভিন্ন পানীয়:** আপেলৰ ৰস, চিডাৰ, বিলাহী ৰস, ডালিমৰ ৰস ইত্যাদিত যথেষ্ট পৰিমাণে এণ্টিঅক্সিডেণ্ট থাকে। গ্ৰীন টীত থকা 'কেটেচিন' নামৰ এণ্টিঅ'ডেণ্টে তেজ গোট মৰা বন্ধ কৰে, পাৰকিনচনছ ডিজিজ আৰু ডায়েবেটিছ ৰোগ হোৱাৰ আশংকা কমাই দিয়ে। মন কৰিবলগীয়া কথা যে গ্ৰীন টী বা ব্লেক টীত গাখীৰ মিহলালে এণ্টিঅক্সিডেণ্টৰ গুণাগুণ নষ্ট হৈ যায়।

(আঠপৃষ্ঠাত চাওক)

# উপকাৰ (গল্প)

ৰশ্মি ৰেখা বৰা হাজৰিকা



ছোৱালীজনীয়ে চুচুক-চামাক কৰি থকা দেখি মই আগবাঢ়ি গ'লো ।সুধিলোঁ "কি লাগে?" তাই মূৰ জোকাৰি গুচি গ'ল ।মই শৰ্মাৰ ৰুমত সোমালো। শৰ্মাৰ মাকৰ অসুখ, মুম্বাইলৈ নিছে, সৰু ভায়েক গৈছে লগত ।মই খবৰ এটা কৰোঁ বুলি পৰ্দাখন দাঙোতে দেখিলো তেওঁ ল'ৰা এটাৰ লগত কথা কটা-কটি কৰি আছে ।ল'ৰাটো অলপ উত্তেজিত। মই ঘূৰিলো, ছোৱালীজনীৰ লগত খুন্দা খোৱাৰ উপক্ৰম হ'লো। তাই আকৌ আহি! মই আচৰিত হ'লো এই ল'ৰা-ছোৱালী হালৰ শৰ্মাৰ লগত কি কাৰণে কাজিয়া! যা হওঁক সোধাটো বা চাই থকাটো অশোভনীয় হ'ব। পিয়ন বাবু লালক বিশটকা এখন দি মোলৈ ফ্ৰুটি এটা আনিবলৈ ক'লো। উহ, ইমান গৰম পৰিছে। এই চেপ্তেম্বৰ মাহতো বেলিটোৱে একেবাৰে খাওঁ খাওঁ মূৰ্তি ধৰি আছে ।নিজৰ কেবিনটোত বহি লৈ ফাইল এটা মেলি ল'লোঁ। কিন্তু মনটো খেলিমেলি। শৰ্মাৰ ৰুমত কি ঘটিছে? কাজিয়াখন কিহৰ? আজি দহবছৰে শৰ্মাক পাই আহিছো। ওচৰতে থাকে যদিও অৱশ্যে ঘৰলৈ আহ-যাহ নাই। হ'লেও শৰ্মাৰ নিচিনা নিৰীহ, ঠাণ্ডা মানুহ দ্বিতীয় এজন আমাৰ চুবুৰীটোত বা এই অফিচটোত নাই। দুটা ল'ৰা - ছোৱালীৰে তেওঁৰ সুখৰ সংসাৰ। তেওঁৰ ঘৈণীয়েক জাঁজীৰ ফালৰ, শুনামতে মাত-কথা ৰুক্ষ, কিন্তু সাদৰী। পঢ়া-শুনা বৰ নহয়, হ'লেও ল'ৰা-ছোৱালী হালক পুৱাইছে । শৰ্মাই একাউণ্টেণ্টৰ চাকৰিটোৰ পৰা মোটামুটি শকত দৰমহা এটাই পায়। হ'লেও লাহ-বিলাহত খৰচ নকৰে। গাঁৱৰ ঘৰখনত ভায়েকহঁতক পঢ়ুৱাইছে । এটা ভায়েকে গুৱাহাটীত ঘৰ-বাৰী কৰিলে। অ' এন জি চি ইঞ্জিনিয়াৰ ।আকৌ ল'ৰা-ছোৱালী হালৰ মনত পৰিল । কি কাৰণে সিহঁতে শৰ্মাৰ লগত কাজিয়া কৰিছে? শৰ্মাৰ বা কিয় ইমান খং উঠিছে? শৰ্মাক কিবা কথাত ফচাব খুজিছে নেকি? হনীট্ৰেপিং ??কথাটো অফিচ সম্পৰ্কীয় নহ'ব কাৰণ ছোৱালীজনী চাকৰি বিচাৰি অহা ছোৱালী যেন নালাগে। তাইৰ চেহেৰাত তাই যে বিশেষ পঢ়া-শুনা থকা ছোৱালী নহয় ধৰিব পাৰি । অথবা এইটো কব পাৰি যে তাই বনকৰা ছোৱালীতকৈ অলপহে উন্নত জাতৰ ।বয়স খুব বেছি পোন্ধৰ বা যোল ।ল'ৰাটোৰ দাদাগিৰিলৈ চাই সি হয় তাইৰ ককায়েক নহ'লে প্ৰেমিক। ছোৱালীজনীৰ লগতেই বা শৰ্মাৰ কি সম্পৰ্ক? কিবা লেটি-পেটি নেকি? ছিঃ কি যে কথাবোৰ ভাবিছো! মোৰ মনটোও বৰ বিষাক্ত হৈ গৈ আছে দিনে দিনে। অন্ততঃ শৰ্মা তেনেকুৱা মানুহ নহয়। কিন্তু কি ঠিক? আজিকালি বাহিৰখন চাই একো ধৰিব নোৱাৰি। বাবুলালে ফ্ৰুটি এটা দিলেহি। "কি ঔ বাবুলাল, শৰ্মা ছাৰৰ ৰুমত কি হৈছে ?" বাবুলাল এইবোৰ কথাত কেঁচা। বয়সে ভাটি দিলেহি। কিন্তু তাক কৰিবলৈ দিয়া কামৰ বাহিৰে আন কথাত তাৰ অকণো ইণ্টাৰেষ্ট নাই। প্ৰদীপ আকৌ ভাল উৰহী গছৰ ওৰ উলিওৱাত। কিন্তু সি আজি ছুটী লৈছে। বাবুলালে "হামি কবা নৰাবো" বুলি কৈ গুচি গ'ল। মোৰ মনতো খু-দুৱাই আছে। এনি হাউ আই হেভ টু গ' থ্ৰু দ্য মেটাৰ। কিন্তু কেনেকৈ? শৰ্মাক দেখুৱাবলগীয়া কিবা কাগজ-পত্ৰ আছে নেকি বিচাৰিলো । কালি জোনেল অফিচৰ পৰা অহা কাগজ কেইখনত চহী লাগিব ।প্ৰদীপ নাই, সেয়ে মই নিজেই লৈ যাম। শৰ্মাৰ ৰুমলৈ বুলি ওলাওঁতেই দেখিলো ল'ৰা-ছোৱালী হাল গেট পাৰ হৈ গ'লগৈ। শৰ্মাই চশমাৰ লেন্সদুখন ৰুমালেৰে মোহাৰি মোহাৰি সিহঁতকে চাই আছে। "সোমাই আহা" শৰ্মাই মাতিলে। চাইন কৰিবলৈ কাগজকেইখন আগবঢ়াই দিলোঁ ।তেওঁ ঘপাঘপ চহীকেইটা কৰি দিলে। মুডটো অফ। কথা উলিয়াবলৈ চান্সেই নাপালোঁ। কি কৰোঁ এতিয়া ? কৌতুহলৰ পোকটোৱে কিট কিটকৈ কামুৰিয়েই আছে। আমি মহিলা জাতিটো কেলেই এনেকুৱা জানো ? উপায় নাই । কেবিনলৈ আহি আকৌ এবাৰ কথাবোৰ ভাবিবলৈ যত্ন কৰিলো। ল'ৰা-ছোৱালী হাল কোন ? শৰ্মাৰ লগতে বা কি সম্পৰ্ক ? ভাল নে বেয়া সম্পৰ্ক ? মনটোলৈ দেখোন ভাল কথা নাহে । শৰ্মাক বেয়া বুলিও মনটোৱে নকয় । কিন্তু সেই ছোৱালীজনী বা ল'ৰাটোৰ ব্যৱহাৰ-পাতিত শৰ্মা যে সিহঁতৰ ওচৰত দোষী সেইটোও স্পষ্ট ।কি দোষ ? কেনেকুৱা দোষী ? চুপা-ৰুস্তম! বাহিৰে মহান ভিতৰি কি কোনেও নাজানে। ধেৎ, আকৌ শৰ্মাৰ কথা বেয়াকৈ ভাবিলো ! কি কৰা যায় ? গোটেই কথাটো গম নাপালে আজি মোৰ খাৱন-শোৱন সব যাব । কাইলৈ ৰিংকুৰ জন্মদিন ।ঠিক কৰিলো আগতে কোনো দিন নাই যোৱা যদিও ল'ৰাৰ জন্মদিনলৈ মতাৰ চলেৰে শৰ্মাৰ ঘৰত আবেলি এপাক মাৰি আহিম, কিজানি কিবা ক্লু পাওঁৱেই। গধূলি শৰ্মাৰ ঘৰত একো যেন হোৱাই নাই তেনে এটা পৰিবেশ । তথাপি ময়ো সুদাই এৰা ভকত নহয়। কিন্তু কেনেকৈ সুধো, কি বুলি সুধো একো সুৰুঙাই পোৱা নাই। শৰ্মানীয়ে চাহ-বিস্কুট লৈ আহি বহিলহি। মানুহগৰাকী ভলভলীয়া। কথা পাতোতেই তেওঁ গাই গ'ল কিদৰে গাঁৱৰ দুখীয়া মানুহৰ ল'ৰা এটাক দেওৰেকৰ তাত ড্ৰাইভাৰ কৰিবলৈ পঠিয়াই এতিয়া তেওঁলোক ফচিবলগীয়া হৈছে । সি বেটাই ড্ৰাইভাৰ কৰিবলৈ গৈছ ড্ৰাইভিং কৰ, তোৰ লোকৰ ঘৰৰ কাম কৰা ছোৱালীলৈ চকু কিহৰ ? শৰ্মাৰ গুৱাহাটীত থকা ভায়েকৰ কাষৰ মানুহ ঘৰৰ কাম কৰা ছোৱালী জনী পলুৱাই সি বেক টু দ্য পেভিলিয়ন। সি এতিয়া গাঁৱৰ ঘৰলৈও নাযায়। শৰ্মাই তাৰ কিবা এটা বন্দবস্ত কৰি দিব লাগে । শৰ্মানীৰ ভয়ত সিহঁতহাল তেওঁলোকৰ ঘৰলৈ অহা নাই ।অফিচতে তেখেতক দিগদাৰ কৰি আছেগৈ । মই শৰ্মানীৰ প্ৰতি সহানুভূতি দেখুৱালো - লোকৰ উপকাৰ কৰিবলৈ গৈ মানুহৰ সচাঁয়ে জঞ্জাল বাঢ়েহে। ক'লো, "মই চেষ্টা কৰি চাওঁ বৰ । আমাৰ এখেতে তাক ছাগে ড্ৰাইভাৰৰ চাকৰি এটা যোগাৰ কৰি দিব পাৰিব।" মনতে ভাবিলো এখেতৰ বছক এই চেগতে ভালৰি বোলাবলৈ ভাল হ'ব। বছক ড্ৰাইভাৰ এজনৰ প্ৰয়োজন হৈ আছে, পোৱা নাই। শৰ্মাক ক'লো, "এটা কাম কৰিব। কাইলৈ ৰাতিপুৱাই তাক আমাৰ ঘৰলৈ পঠিয়াই দিব ।এওঁ ঘৰতে থাকিব ।চিন্তা নকৰিব ।তাৰ বন্দবস্ত এটা মই কৰি দিম। চুবুৰীয়া হৈ এইকণ সহায় কৰিব নোৱাৰিলে কেনেকৈ হ'ব?" শৰ্মা আৰু শৰ্মানীয়ে অশেষ ধন্যবাদ জনালে। মোৰো মনটো ভাল লাগিল। কাইলৈ অন্ততঃ ৰিংকুৰ বাৰ্থডেৰ বজাৰ খিনি কৰিবলৈ সহায় এটা হ'ব। মাছ-মাংস, পাচলি, কেক-মিঠাই, গেছৰ চিলিণ্ডাৰ - এওঁ সেইবোৰ কৰিবলৈ বৰ টান পায় ।সি গুৱাহাটীত গাড়ী চলোৱা ল'ৰা যেতিয়া তাক লৈ ৰাতিপুৱাতে বজাৰ-সমাৰ খিনি ময়ে কৰি আহিব পাৰো । বছ বাৰ্থডেলৈ আহোঁতে তাক গতাই দিলেই হ'ল।

# আত্ম প্ৰেম মহৎ প্ৰেম

সংযুক্তা দত্ত



ভৰ্তিহৰি নামৰ এজন ৰজা আছিল। তেওঁ তেওঁৰ ৰাণীক বৰ ভাল পাইছিল। ইমানেই ভাল পাইছিল যে তেওঁ নিজক কৈ বেছি ভাল পাইছিল। এবাৰ এজন ঋষিয়ে ৰজাক এটা ফল দিলে আৰু ক'লে যে এইটো ফল খালে মানুহ সদায় চিৰযৌৱন হৈ থাকিব। ৰজাই যিহেতু ৰাণীক ভাল পাইছিল সেই কাৰণে তেওঁ ফলটো নিজে নাখায় ৰাণীক দিলে। ভুল সেই খিনিতেই হ'ল । ৰাণীয়ে আকৌ ভাল পাইছিল গুচালকক অৰ্থাৎ গৰু যি চোৱা - চিতা কৰে । গুচালক জনে ভাল পাইছিল সেই নগৰ খনৰে এগৰাকী বেশ্যাক আৰু তেওঁ সেই ফলটো দিলে বেশ্যাক। বেশ্যা গৰাকীয়ে ভাবিলে যে এই ফলটো যদি মই খাই চিৰযৌৱনা হৈ থাকো বা সদায় তৰুণ হৈ থাকো ।তেতিয়া হ'লেটো মই আৰু পাপ অৰ্জন কৰিম। গতিকে মই এই ফলটো ৰজাক দিওঁ আৰু ৰজাক যেতিয়া দিলে তেতিয়া গোটেই ঘটনাটো ওলাই পৰিলে যে সেই ফলটো কেনেকৈ পালে।তেতিয়াই ৰজাই বুজি পালে যে নিজক কৈ কাকো বেছি ভাল পাব নালাগে। আত্ম প্ৰেম মহৎ প্ৰেম ।

# হাইদৰাবাদত অনুষ্ঠিত বধিৰ সাংস্কৃতিক মহোৎসৱত অসম দল শ্ৰেষ্ঠ



ৰঙিলী বাৰ্ত্তাসেৱা- হাইদৰাবাদত ১০-১৩ ডিচেম্বৰত অনুষ্ঠিত হোৱা ১৭ সংখ্যক ৰাষ্ট্ৰীয় বধিৰ সাংস্কৃতিক মহোৎসৱত অসম দলটোৱে নৃত্য, নাট আৰু মুকাভিনয়ত সুন্দৰ প্ৰদৰ্শন কৰি দৰ্শকৰ পৰা প্ৰশংসা লাভ কৰাৰ লগতে শ্ৰেষ্ঠ হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। অসমৰ হিতম হাজৰিকাই শ্ৰেষ্ঠ অভিনেতাৰ সন্মান, সিন্ধ্যা ৰাজবংশীয়ে শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান আৰু তপন কুমাৰ শৰ্মাই শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰে। পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী জি কিষাণ ৰেডীয়ে উক্ত বঁটা প্ৰদান কৰে। কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰণালয়ৰ উদ্যোগত পৰৱৰ্তী দিব্যাংগ সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে অসম আৰু তেলেংগনা ৰাজ্যক মনোনীত কৰিছে। অসম দলটো ১৭ ডিচেম্বৰত গুৱাহাটীত উপস্থিত হ'ব।

# কটন বিশ্ববিদ্যালয়ত

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। কটন বিশ্ববিদ্যালয়ত সঞ্জয় বড়োৱে নামভৰ্তি কৰাৰ পাছতেই তেওঁৰ সতীৰ্থ কটনিয়ান আৰু ৰজনীকান্ত বৰদলৈ ছাত্ৰাৱাসৰ আৱাসীসকলে তেওঁৰ বাবে এখন কৃত্ৰিম ভৰি সংৰোপনৰ ব্যৱস্থা কৰাৰ সপোন দেখিছিল। কটন বিশ্ববিদ্যালয় আছু গোটৰ উদ্যোগত উত্তৰ পূৱ ছাত্ৰ সংগঠনৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ প্ৰচেষ্টাত আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থা, প্ৰাক্তন ছাত্ৰ নেতা হৃষীকেশ বৰঠাকুৰকে আদি কৰি বিভিন্ন জনৰ সহযোগিতাত এইয়া সম্ভৱ হৈ উঠে। চলিত বৰ্ষত প্ৰায় তিনি লাখ আশী হাজাৰ টকা ব্যয় সাপেক্ষে সঞ্জয় বড়োক এখন উন্নত প্ৰযুক্তি সম্পন্ন কৃত্ৰিম ভৰি সংৰোপনৰ ব্যৱস্থা কৰা হয়। যাৰ সহায়ত ভৱিষ্যত দিনত বড়োৱে অধিক সক্ৰিয়তাৰে কাম কৰি যোৱাত সফল হ'ব। অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° সঞ্জয় কুমাৰ দত্ত, কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড° প্ৰশান্ত শৰ্মা, অধ্যাপিকা ড° ফুনু দাস, কটন কলেজ এলামনাই এছ'চিয়েনৰ সাধাৰণ সম্পাদক জগদীশ দত্ত, সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি আনোৱাৰ হুচেইন, সাধাৰণ সম্পাদক নয়নজ্যোতি দাস, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰাইফুদ্দিন আহমেদ, প্ৰাক্তন ছাত্ৰ নেতা তথা যুৱ উদ্যোমী হৃষীকেশ বৰঠাকুৰ, কটন বিশ্ববিদ্যালয় আছু গোটৰ উপদেষ্টা জ্ঞানেন্দ্ৰ কলিতা, দ্বীপজ্যোতি দাস, জিন্টু ঠাকুৰীয়াকে আদি কৰি বিশ্ববিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু আছু কৰ্মীসকল উপস্থিত থাকে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

সেৱাৰ মনোভাবেৰে অস্থায়ী ৰূপত শিক্ষক নিয়োগ কৰিব পাৰিব। ইয়াৰ বাবদ আদায় দিয়া নহয় কোনোধৰণৰ দৰমহা। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থা বা স্বেচ্ছাসেৱী সংগঠনেও সেৱাৰ মনোভাবেৰে অস্থায়ী ৰূপত শিক্ষক নিয়োগ কৰিব পাৰিব। ইয়াৰ বাবদ আদায় দিয়া নহয় কোনোধৰণৰ দৰমহা।কেবিনেটৰ সিদ্ধান্ত সদৰী কৰি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই জানিবলৈ দিয়া মতে, কেবিনেটে অসম আন্দোলনৰ ভুক্তভোগী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ বাবে গঠিত ন্যাস সমিতিত দুগৰাকী আছুৰ সদস্য অন্তৰ্ভুক্তৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি এই ন্যাসলৈ বছৰি ৫ কোটি টকা অনুদান দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ খুচুৰা বিক্ৰেতাক প্ৰদান কৰা অনুজ্ঞাপত্ৰৰ ম্যাদ এবছৰৰ পৰা তিনি বছৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লয়।

# এতিয়াৰে পৰা দলৰ যিকোনো

উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত যি বিকাশমুখী যাত্ৰাৰে দেশ আজি ধাৱমান হৈছে, তাত বিজেপি দলৰ কাৰ্যকৰ্তা আৰু কাৰ্যালয়ে প্ৰতিনিধিত্ব কৰে। ৰাজ্যত শক্তিশালী ভেটি গঢ়ি তুলিবলৈ বিজেপিয়ে ইতিমধ্যে ১৪খন জিলাত দলীয় কাৰ্যালয় ভৱন নিৰ্মাণৰ কাম হাতত লৈ ইয়াৰে ১০টা জিলা কাৰ্যালয় ভবন কাৰ্যকৰ্তাসকলৰ নামত উৎসৰ্গা কৰিছে। এতিয়াৰে পৰা দলৰ যিকোনো সিদ্ধান্ত কোনো ব্যক্তিৰ বাসগৃহত নহয়, বৰঞ্চ দলৰ কাৰ্যালয়ত থিৰাং হ'ব বুলি তেওঁ মন্তব্য কৰে।



# প্ৰতিচ্ছবি

Anamika Sarmah, Dibrugarh



বাট-কুৰি বাই আহিছো
তোমাক লগ পাবলৈ,
সোণোৱালী পথাৰ খনি
পাৰ হৈ
থমকি ৰ'লো
দেখিলোঁ ;
সোণোৱালী পথাৰ,
কাষতে বিল,
আৰু
দূৰৈৰ পৰা
ৰিণিকি ৰিণিকি
জিলিকি থকা পাহাৰ খনি।
কিযে মনোৰম দৃশ্য
ওপৰে শুকোলাৰ ডাৱৰ
তলত
সেউজ সোণোৱালী
ধৰণী-ধুণীয়া পৃথিৱী
কিযে সুন্দৰ প্ৰকৃতি
ইমান মনোৰম দৃশ্য।
নোৱাৰিলোঁ, আহিব আতৰি
নোৱাৰিলোঁ, আঁতৰাব এই দুটি নয়ন।
থমকি বহি ৰ'লো
তোমাৰ কথা ভাবি
সেয়ে,
কেমেৰাত বন্দি কৰি থ'লো
তাৰেই প্ৰতিচ্ছবি।

# এটি গীত...

নন্দেশ্বৰ মিলি
নগাঁও



কাৰ গানৰ সুৰে
তোমাৰ নিদ্ৰা ভাঙে
কাৰ বাঁহীৰ সুৰত
তোমাৰ হৃদয় কঁপে
কাৰ বাবে তুমি
সুখ পায় চকুলো টুকি
শয়নে-সপোনে
কাক তুমি থাকা বিচাৰি?
জিৰ্ জিৰ্ কৈ
আছে জুৰিটি বৈ
সদায় থাকা তুমি
দুওঁঠত মিচিকিয়া হাঁহিটি লৈ।

# কবিতাৰ শিতান

## লগৰীয়া


ডঃ যুতিকা ওজা
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



অমৃতৰ সন্ধানত ফুৰিলো মই
জীৱন সত্বাৰ ঠিকনাৰ বাবে
চেকুৱাই হেপাহৰ ঘোৰা
দিহিঙে দিপাঙে
বিচাৰিলো সুখৰ সফুৰা
শলিতাৰ উত্তাপত চালো
সূৰ্য্যৰ তীব্ৰতা
মৰুভূমিত মৰিচিকাৰ উন্মাদনা
সময়ে কোবাই যোৱা বা-মাৰলিও
আশাভংগ হুমুনিয়াহবোৰ
তোমাৰ সান্নিধ্যত সাৰ পালে
শূন্যতে ঘূৰি ফুৰা সপোনবোৰ
দিঠকৰ ফুল সজালে
শিৰোনাম বিহীন কবিতাবোৰ
প্ৰাণময় হ'ল
বাস্তৱ মধুময়
কলিজাত বাঢ়িছে বাৰিষাৰ জোন
পোহৰৰ জোনাক চৌপাশে

## হৃদয়ৰ গুঞ্জন

মানসী মিশ্ৰ



হৃদয় মানে তুমি ভবাৰ দৰে
এটি শব্দ নে যি শব্দ
কাগজৰ পৃষ্ঠাত লিখি পেলাব পাৰি
হয়তো...হয়তো
বিচাৰিলে বিক্ৰীও কৰিব পাৰি
সৌ চুবুৰীৰ হাট খনত এটকা দুটকাত
হয়তো বিচাৰিবও পাৰি তুমি ভবাৰ
দৰেই..
ওপৰৰ আকাশখনত, এটি দুটি তৰাৰ
মাজত
আৰু মকৰা জাল খনৰ দৰেই
গাঁঠি পেলাব পাৰি নেকি?
হৃদয়ৰ বুটা বচা আখৰবোৰ
হয়তো নৈৰ বুকুৰেদি বোৱাই নিব
পাৰি
হৃদয়ৰ প্ৰতিটো আখৰ বাধাহীন
সীমনালৈ
যত সাগৰৰ বুকুৰেদি আকৌ উভতি
আহে
হৃদয়খন মোৰ বুকুলৈ চিনাকি
মৰমৰ উত্তাপ হৈ।

# জীৱন বৰ অনুপম

পুলিন ডেকা



কাউৰীজনীৰ ওঁঠত ক'লা ঢৌৰ চামনি
আউসীৰ বা লাগি নাচি থকা নিশাটোৱে নিজৰ
আৱৰণ গুচাই তাইক সুধিছিল — পোহৰলৈ আৰু কিমান দূৰ?
আজন্ম ক'লা ৰঙ সানি আত্মাক শুদ্ধ কৰিব নোৱাৰা
সময়বোৰ বৰ দুঃসময়-ভগ্ন কণ্ঠৰে সংগীতময় লহৰে ক'লে
একেদৰেই অতৃপ্ত বাসনা লৈ ৰাজহাঁহবোৰে
পানীত তিতি আছিল
পাখিৰ বৰ্ণত শুভ্ৰ বৰফৰ চাকনৈয়া পৰিছিল
কাউৰীৰ মৌন আলাপত উকমুকাই উঠিছিল হেজাৰ বসন্তৰ
ৰেঙণি
আওপকীয়াকৈ কথাবোৰে শব্দৰ পোহৰ বিচাৰিছিল
চৰি-ফুৰি ঢৌবোৰৰ গা গধুৰ হোৱাৰ সময়তে
ৰাজহাঁহজাকে কৈছিল- দুখ আমাৰ সুখৰ অভিধা
কলিজাক ৰুকি খোৱা শ্বেত সুৰভি-
তাৰ পিছত আৰম্ভ হৈছিল এক অনন্য যাত্ৰা
ভাটৌজনীৰ সেউজ আচলত ডালবোৰে ডুলিছিল
ক্ষোভ তাতেই, এবাৰ পাতৰ হৰিৎ ৰঙৰ অভিধাত
আলফুলীয়া ক'লা দাগবোৰক গতি দিব পৰা হ'লে!
কিন্তু, বটবৃক্ষডাল একেই আছিল
এখন চৰণীয় পথাৰে আছিল পৰিচয়
তাৰ ছাঁতে
ময়ুৰজনীৰ খোজত কম্পিত পৃথিৱীৰ ৰেঙণি পৰিছিল
পেখনৰ সাতৰঙী প্ৰতিবিম্বত
প্ৰতিনিয়ত বাজি আছিল মৃত্যুমুখী কোলাহলৰ কিছু প্ৰচ্ছয়া
সুখৰ সংজ্ঞা বিচাৰি কাউৰীৰ ধুলি স্পৰ্শ কৰিছিল
ক'লা, বগা, সেউজ আৰু বিচিত্ৰ বৰ্ণৰ ল'ৰা ধেমালিত
সাৰ পাই উঠিছিল আত্মাৰ পৰা খলপে খলপে এৰা শিপাবোৰ
তাৰ পিছত কাউৰীজনীৰ নিৰন্তৰ যাত্ৰাৰ সামৰণি পৰিছিল
কাৰণ সুখ জীৱনৰ গভীৰতা, বৈভৱৰ ক্লেদাক্ত মৰুভূমি
জীৱনৰ অৰ্থ- মাথো আদান-প্ৰদান।

# দুখ

নিতিষ্মান দাস,সপ্তম শ্ৰেণী



দুখ এনে বস্তু যি সহজতে পায়,
অন্তৰখন ইয়াৰ বাবে ভাগি যায়।
দুখ মানে ঈশ্বৰে লৈছে ধৈৰ্য্যৰ পৰীক্ষা,
একপ্ৰকাৰে ইয়াৰ পৰা পায় জীৱনৰ শিক্ষা।
দুখে কেতিয়াবা বনাব পাৰে ৰত্নাকৰ,
দুখ বেজাৰৰ বাবে এদিনকে লাগে এশবছৰ।
ভাবা! দীপায়নৰ ফালে গতি কৰিছা,
ইয়াৰ বাবে হব লাগিব সত্যবাদি, নকবা কাকো মিছা।
যাৰ দুখ বেছি ভগৱানৰ তাৰ প্ৰতি মৰম বেছি,
ভগবানে পঠাব জীৱনলৈ এজন দুখহাৰী।
পৰিয়ালৰ দুখ জানো কোনোবাই বুজে,
পৰিয়ালে যে ইমান অসৎ পুত্ৰৰ দুখ সহে
সেউজী ধৰণীৰ দুখ বাৰু কোনে বুজে,
মই ভাৱো কাৰোবাক দুখী কৰি নিজৰ হে দুখ বাঢ়ে।
আচলতে মানুহ সম মূৰ্খ পৃথিৱীত নাই,
আমাৰ বাবে ধৰাখনি জ্বলি-জ্বলি হয় চাই।
নাজানো কিয় মোৰ প্ৰাণে মোৰ অন্তৰে কয় যে,
"তোমাৰ দৰে মূৰ্খ মানুহ কোনোঠাইত নাই"।
সচাকৈ মানুহ হয় প্ৰকৃত অত্যাচাৰী,
"প্ৰকৃতি! নকৰিবা দুখ আমিয়েই দুষ্কৰ্মী"।
আকৌ মোৰ অন্তৰে কিবা এটা কয়,
দুখ থাকিলেও নাযাবা তুমি বৈ, নাযাবা তুমি বৈ

৩ পুহ, ১৪২৭ চন Rongili Barta, Date of Publication-- 19 December, 2021

# ৰাজহুৱা স্থানত পিক পেলোৱা অথবা দেৱালত প্ৰচাৰ পত্ৰ লগোৱা এক দণ্ডনীয় অপৰাধ

## ৰাজহুৱা সম্পত্তি ৰক্ষাৰ ক্ষেত্ৰত গুৱাহাটী পৌৰ নিগমৰ গুৰুত্বপূৰ্ণ পদক্ষেপ





### শাস্তি

- প্ৰথমবাৰৰ বাবে ১,০০০ টকাৰ জৰিমনা
- পুনৰাবৃত্তি কৰাসকলৰ বাবে অধিক জৰিমনা
- প্ৰয়োজন অনুসৰি পৌৰ নিগম আইন/উপ-আইনৰ অধীনত গোচৰ পঞ্জীয়ন

পৌৰ নিগমৰ অনুমতি অবিহনে প্ৰচাৰ পত্ৰ/বিল লগোৱাসকলৈ প্ৰচাৰ পত্ৰ আঁতৰোৱাৰ বাবে ১৫ দিনৰ সময়, অন্যথা আইনী ব্যৱস্থা

তথ্যৰ সত্যতা নিৰূপণৰ ভিত্তিত এনে ফটো প্ৰেৰকলৈ **১,০০০** টকাৰ নগদ পুৰস্কাৰ



নাগৰিকসকলে তলৰ হোৱাটছএপ নম্বৰযোগে উপযুক্ত প্ৰমাণসহ আইন উলংঘনকাৰীসকলৰ ফটো শ্বেয়াৰ কৰিব পাৰে

৮৮১১০ ০৭০০০/৭৩৯৯০ ০৩০০১/৭৩৯৯০ ০৩০০২/৭৩৯৯০ ০৩০০৪

পঞ্জীয়ন কৰক assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/

JANASANYOG- 2803/21

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

৩ পুহ, ১৪২৭ চন Rongili Barta, Date of Publication-- 19 December, 2021

# কোনটো বেছি প্ৰয়োজনীয় জীৱন নে জীৱিকা ?

জুৰি শইকীয়া



আজি মানৱ জাতিৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান হৈ থিয় দিছে জীৱন আৰু জীৱিকাই। জীৱিকা নাথাকিলে জীৱন মূল্যহীন আনহাতে জীৱন নাথাকিলে জীৱিকাৰ মূল্যই বা ক'ত। উশাহ-নিশাহ ল'বলৈ অংগবোৰ অপাৰগ হ'লেই মৰণ আৰু জীয়াই থকাটোকে জীৱন বুলি ক'লেও প্ৰকৃত অৰ্থত জীৱিকা নথকা জীৱন এটা কেনেকৈ জীয়াই থাকে সেয়া ভুক্তভোগীয়েহে ভালকৈ উপলব্ধি কৰিব পাৰে। জীৱন আৰু মৰণৰ মাজৰ সময়ছোৱা কেনেকৈ কটালে সেয়াইহে প্ৰকৃতাৰ্থত জীৱনৰ মূল্যায়ন কৰে। সুখ চাচ্ছন্দ্যৰে ভৰা জীৱন কাম্য হ'লেও সকলোৰে বাবে সেয়া সম্ভৱ নহয় । কৰ্মই মানুহৰ জীৱনৰ সুখ সমৃদ্ধিৰ গতি নিৰ্ণয় কৰে। ভাগ্যতকৈ কৰ্মত বিশ্বাস কৰা লোকৰ উন্নতি অনিবাৰ্য্য। ভাগ্যক ধিয়াই বহি থাকিলে জীৱনলৈ কেতিয়াও সফলতা নাহে । জীৱনটো নিজৰ হাতৰ মুঠিত। কৰ্মৰ দ্বাৰা নিজৰ ভাগ্য সলাই পেলাব পাৰি । সময়ৰ সদব্যৱহাৰ ওপৰত জীৱনৰ সুখ আনন্দ নিৰ্ভৰ কৰে । জীৱন আছে জীৱিকা নাই তেনেকুৱা জীৱনবোৰ কটাবলৈ বৰ জটিল হয়। কিন্তু জীৱিকা হাততে পোৱা বস্তু নহয়। সন্ধান কৰিব লাগিব। আমাৰ কাষতে আছে অনেক পথ । নিজৰ ইচ্ছাশক্তিৰে কৰ্মক শ্ৰদ্ধাসহকাৰে আকোঁৱালি ল'ব লাগিব । জীৱিকাৰ সৰু ডাঙৰ নাথাকে । এলাহ, লাজ, অনিহাভাৱে কৰ্মবিমুখিতাৰ সৃষ্টি কৰে। দেখা যায় শিক্ষিত নিবনুৱাৰ বেছিভাগেই জীৱিকাৰ বাবে চাকৰি এটাহে পচন্দ কৰে। যদি শিক্ষা থকাৰ লগতে ভাগ্যইও লগ দিয়ে তেন্তে চাকৰি এটা পায়। কিন্তু বৰ্তমান শিক্ষিত নিবনুৱাৰ সংখ্যা বহুত বেছি পৰিমাণে বৃদ্ধি পাইছে। কেৱল চাকৰি কৰাৰ আশাত বহি থাকোঁতে জীৱনৰ আধা সময় পাৰ হৈ যায় পিছৰ সময়ছোৱাত উপায় নাপাই কিবা কিবি এটা কাম কৰিবলৈ মন মেলি যেনে তেনে চলি থাকিব পৰা হয়। যদি চাকৰিৰ আশাতে নাথাকি স্বনিয়োজনৰ পথ বাচি লয় সন্মানেৰে জীৱন আৰু জীৱিকা নিৰ্বাহ কৰিব পাৰি লগতে আৰু দুজনকো কৰ্ম সংস্থাপন দিব পাৰিব।

ক'ৰনা মহামাৰীৰ সময়ত বৰ্হিৰাজ্যত থকা বহুতে জীৱিকা এৰি জীৱনৰ মোহত ঘৰমুৱা হ'ব লগা হ'ল। নিবনুৱা সমস্যাৰে জৰ্জৰিত ৰাজ্যখনত অধিক নিবনুৱা বাঢ়িল। পৰিস্থিতি লাহে লাহে স্বাভাৱিক হ'বলৈ ধৰাত ৰাজ্যত সংস্থাপনৰ কোনো বাট বিচাৰি নাপাই পুনৰ বৰ্হিৰাজ্যলৈ গমন কৰিবলৈ ধৰিছে তেওঁলোক। একেখিনি শ্ৰমকে বাহিৰৰ ৰাজ্যত ব্যৱহাৰ নকৰি যদি নিজ ৰাজ্যতে ব্যৱহাৰ কৰা হয় তেন্তে আমাৰ ৰাজ্যৰ উন্নতি অধিক হ'লহেঁতেন। প্ৰাকৃতিক সম্পদ যিমানেই নাথাকক মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰেহে প্ৰাকৃতিক সম্পদসমূহক ভালদৰে ব্যৱহাৰ যোগ্য কৰিব পাৰিলেহে সমাজ তথা দেশখনক উন্নতিৰ দিশলৈ লৈ যাব পাৰি।

জীৱন আৰু জীৱিকাৰ মাজত সংগ্ৰামখন যুগ যুগ ধৰি চলি থকা বিৱৰ্তনৰ ফলস্বৰূপে আজিৰ এই অৱস্থাত উপনীত হৈছে । জীৱিকাৰ তাড়নাত কোনো কোনোৱে জীৱন যুদ্ধত হাৰ মানিলে। জীৱন আৰু জীৱিকাৰ সংগ্ৰামত যিয়েই সংগ্ৰামী যোদ্ধাৰ ভূমিকা পালন কৰিব পাৰিব সেইজনেই বিজয়ী হৈ আহিছে । চৰ চাপৰিত বাস কৰা লোকসকলৰ জীৱন সংগ্ৰাম আটাইতকৈ কঠিন । কিয়নো ইয়াত শিক্ষাৰ প্ৰভাৱো অতি নিম্ন। আনহাতে দেশৰ অৰ্থনীতিলৈ চৰ চাপৰিৰ অৱিহণা গুৰুত্বপূৰ্ণ । শিক্ষা কম হ'লেও তেওঁলোকৰ বেছিভাগেই আত্মনিৰ্ভৰশীল। যিহেতু কোৱা হৈছে "কৰ্মই ধৰ্ম" গতিকে কৰ্মবিহনে জীৱনৰ গতি নাই। জীৱন আৰু জীৱিকাৰ প্ৰতি অহা ভাবুকিৰ পৰা উদ্ধাৰ পোৱা এটাই উপাই কৰ্মসংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাটো । যেতিয়াই কৰ্মক ধৰ্ম বুলি, দায়িত্ব বুলি, কৰ্তব্য বুলি কৰিবলৈ লম তেতিয়াহে জীৱন আৰু জীৱিকাৰ যুঁজখনৰ অন্ত পৰিব । তাৰ বাবে জনসাধাৰণ আৰু চৰকাৰ দুয়োপক্ষৰে সহযোগ লাগিব।

# হায় সভ্য সমাজ

দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। অভি-নীলৰ হত্যাকাণ্ডই সমগ্ৰ ৰাজ্যকে জোকাৰি গৈছিল। ইয়াৰ পাছত যোৰহাটৰ চিকিৎসক দেবেন দত্তক এদল উন্মাদ লোকে মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নাযাওঁতেই সংঘটিত হ'ল আন এক হত্যাকাণ্ড। এনেধৰণৰ হত্যাকাণ্ড সংঘটিত হোৱাৰ লগে লগে হত্যাকাৰীক ফাঁচী দিয়াত সৰৱ হৈ পৰে দল-সংগঠন, ব্যক্তি আদি। পিছে সময় বাগৰাৰ লগে লগে হত্যাকাণ্ডৰ তদন্তৰ গতি গেঠেলা মাৰে। এনে পৰিয়ালৰ লোকে ন্যায় বিচাৰি মাথোঁ অপেক্ষাহে কৰিব লাগে। অভি-নীলৰ পৰিয়ালটোৱে আজিও ন্যায়ৰ অপেক্ষাত আশা কৰি থাকিবলগীয়া হৈছে।

'ম'ৰেল পুলিচৰ বিৰুদ্ধে ৰাইজ সজাগ হ'ব হ'ল। কাৰণ এতিয়াই যদি সজাগতাৰ সৃষ্টি কৰা নহয় তেতিয়াহ'লে এদিন প্ৰতিটো পৰিয়ালে এনে পৰিস্থিতিৰ বলি হ'ব। মানুহৰ মনৰ পৰা 'দানৱীয়' ৰূপটোক আঁতৰ কৰিবই লাগিব। দোষীক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিলেহে সমাজত এনে অপৰাধীৰ সংখ্যা হ্ৰাস পাব। সমাজত নৰপিশাচৰ সংখ্যা বৃদ্ধি হ'লে অশান্তিও বাঢ়িব। তেতিয়া মানৱতাৰ বাবে হাঁহাকাৰ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হ'ব। মানৱতা ধন-সোণেৰে কিনিব নোৱাৰি। ইয়াক অন্ততঃ জাগ্ৰত কৰিব লাগিব। সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰে দায়িত্ব আছে শান্তি-শৃংখলা বৰ্তাই ৰখাত। সকলোৱে নিজৰ গাত চিকুটি চাব লাগিব। আনৰ পৰিয়ালৰ কোনো সদস্যক হেৰুৱালে যদি উপলব্ধিও নকৰে তেনেহ'লে নিজৰ দিনা হ'লে আনে জানো বুজি পাব? প্ৰতিগৰাকী পিতৃ-মাতৃয়ে নিজৰ সন্তানক ভাল নাগৰিক হ'বলৈ শিক্ষা দিয়ক। শিক্ষাগুৰুসকলেও ছাত্ৰ-ছাত্ৰীক নম্বৰ লাভৰ শিক্ষা দিয়াৰ পৰিৱৰ্তে চৰিত্ৰ গঠনৰ ওপৰতো সমানেই গুৰুত্ব দিয়া। উচিত। মদপী পিতৃক বচাবলৈ নিৰীহক হত্যা কৰা শিয়াল-কুকুৰৰ দৰে সন্তানক জন্ম নিদিয়াই ভাল। যি পিতৃয়ে সন্তানক গুণ্ডাগিৰি কৰিবলৈ ৰাজপথলৈ মাতি আনে তেনে পিতৃক সামাজিকভাৱে বৰ্জন কৰক। ৰাইজ, এনে ব্যক্তিক চিনাক্ত কৰি আৰক্ষী-প্ৰশাসনক অৱগত কৰক- যাতে আৰক্ষীয়ে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পাৰে। ড্ৰাগছৰ ব্যৱসায় কৰিবলৈ উদগনি দিয়া পিতৃক সমাজৰ প্ৰয়োজন নাই। এনে লোকৰ বাবে কঠোৰ শাস্তিয়ে হ'ব একমাত্ৰ পুৰস্কাৰ।

# শৰীৰৰ ৰোগ প্ৰতিৰোধক

**(ঙ) নাটছ:** আখৰোট, আলমণ্ড, কাজু আদিত ভিটামিন-ই থাকে যিয়ে তেজৰ কলেষ্টেৰ'ল কমায়, হৃদৰোগ প্ৰতিৰোধ কৰে আৰু আমাৰ ছালখন সুন্দৰ আৰু মসৃণ কৰি তোলে।


**(চ) ডাৰ্ক চক'লেট :** বিভিন্ন পৰীক্ষাৰ পৰা প্ৰমাণিত হৈছে যে যিবোৰ মহিলাই নিতৌ ডাৰ্ক চকলেট খায় তেওঁলোকৰ আন মহিলাৰ তুলনাত ষ্ট্ৰোক হোৱাৰ আশংকা শতকৰা ২০ ভাগ কমি যায়। ই উচ্চ ৰক্তচাপ কমোৱাত সহায় কৰে লগতে আমাৰ তেজত ভাল কলেষ্টেৰ'ল (এইচ ডি এল) বঢ়ায় আৰু বেয়া কলেষ্টেৰ'ল কমায়। কিন্তু মনত ৰখা উচিত যে ডাৰ্ক চক'লেটত অত্যধিক পৰিমাণে কেফেইন, চেনি আৰু চৰ্বি থাকে সেয়েহে সীমিতভাৱে এইসমূহ খোৱা উচিত।

# হকীত পাকিস্তানৰ বিৰুদ্ধে জিকি সদায় সুখী: হৰমনপ্ৰীত




ৰঙিলী বাৰ্ত্তাসেৱা-এছিয়ানছ চেম্পিয়নছ ট্ৰফী ২০২১ৰ ৰাউণ্ড ৰবিন পৰ্যায়ত পাকিস্তানৰ বিৰুদ্ধে দলটোৰ ৩-১ গ'লৰ জয়ত দুটা গ'ল কৰা ভাৰতীয় পুৰুষ হকী দলৰ উপ-অধিনায়ক হৰমনপ্ৰীত সিঙে কয় যে তেওঁৰ দলটোৱে পাকিস্তানৰ বিৰুদ্ধে জয় লাভ কৰি সদায় সুখী। তিনিবাৰৰ চেম্পিয়ন ভাৰত এতিয়ালৈকে প্ৰতিযোগিতাখনত অপৰাজিত হৈ আছে আৰু লগতে সাত পইণ্টৰ সৈতে পইণ্ট তালিকাৰ শীৰ্ষত আছে।

# ভাৰতত নতুনকৈ ৭ হেজাৰো অধিক লোক কৰ'নাত সংক্ৰমিত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত নতুনকৈ ৭, ১৪৫ জন লোক কৰ'নাত সংক্ৰমিত হৈছে। দেশখনত নতুনকৈ ২৮৯ জন লোকৰ কৰ'না সংক্ৰমণৰ ফলত মৃত্যু হৈছে। যাৰ ফলত ভাৰতত মৃত্যু হোৱা লোকৰ সংখ্যা ৪, ৭৭, ১৫৮ জন লৈ বৃদ্ধি পায়। ভাৰতত বৰ্তমান ৮৪, ৫৬৫টা সক্ৰিয় ঘটনা আছে।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286